**নেচাৰ্চ বেকন**
প্ৰতিষ্ঠাকাল ঃ ১৯৮২
(উত্তৰ-পূব ভাৰতৰ পৰিৱেশ সংৰক্ষণকাৰী গোষ্ঠী)
Registered Under the Societies Registration act XXI of 1860
দত্তবাড়ি, ৱাৰ্ড নম্বৰ - ১, ধুবুৰী, অসম - ৭৮৩৩০১

**নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)**
প্ৰতিষ্ঠাকাল ঃ ১৯৫২
অসমীয়া বিভাগ
ডাকঘৰ ঃ খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১


NATURE'S BECKON Estd:-1982 ASSAM

NORTH LAKHIMPUR COLLEGE ASSAM

## বুজাবুজিৰ চুক্তি

## (Memorandum of Understanding)

এই বুজাবুজিৰ চুক্তি নেচাৰ্চ বেকন আৰু নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ অসমীয়া বিভাগৰ মাজত সম্পন্ন কৰা হৈছে।

### বিৱৰণ

নেচাৰ্চ বেকন আৰু নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ অসমীয়া বিভাগ নিম্নলিখিত বিৱৰণ অনুসৰি কাম কৰিবলৈ চুক্তিৰদ্ধ হয়—

**১.০০ বুজাবুজিৰ চুক্তি সম্পন্ন কৰাৰ কাৰণ ঃ**

১.০১ দুয়ো পক্ষই যুটীয়াভাৱে পৰিৱেশ অধ্যয়ন আৰু প্ৰকৃতি সাহিত্য সম্পৰ্কীয় গৱেষণামূলক কাম সম্পন্ন কৰিব পাৰিব।

১.০২ এটা পক্ষই গৱেষণামূলক কামৰ উদ্যোগ ল'লে আনটো পক্ষই সহযোগ কৰিব পাৰিব।

১.০৩ দুয়োটা পক্ষই যুটীয়াকৈ গ্ৰন্থ প্ৰকাশ, বক্তৃতা, কৰ্মশালা, সজাগতা সভা, আলোচনা-সত্ৰৰ আয়োজন আদি কাম কৰিব পাৰিব।

১.০৪ নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগে 'জগদীন্দ্ৰ মোহন দত্ত প্ৰকৃতি সাহিত্য বঁটা' নামৰ এটা বাৰ্ষিক বঁটা প্ৰৱৰ্তন কৰিব। এই বঁটা প্ৰদান প্ৰক্ৰিয়াত নেচাৰ্চ বেকনে সহযোগ কৰিব।

**২.০০ ম্যাদ ঃ**

২.০১ এই চুক্তিৰ সময়সীমা জুন, ২০২২ৰপৰা মে', ২০২৭লৈ পাঁচ বছৰৰ বাবে বাহাল থাকিব।

২.০২ দুয়ো পক্ষৰ সন্মতি সাপেক্ষে ম্যাদ বৃদ্ধি কৰিব পাৰিব।

**৩.০০ বৈঠক আৰু সিদ্ধান্ত ঃ**

৩.০১ যিকোনো কাৰ্যসূচী ৰূপায়নৰ বাবে দুয়োপক্ষৰ যুটীয়া বৈঠক অনুষ্ঠিত হ'ব।

৩.০২ জৰুৰী সময়ত চুক্তিত স্বাক্ষৰকাৰীসকলে কোনো কাৰ্যসূচীৰ বাবে সিদ্ধান্ত ল'ব পাৰিব। পৰৱৰ্তী বৈঠকত বিষয়টো অনুমোদন কৰাব লাগিব। সকলো কাৰ্যৰ তথ্য সংৰক্ষণৰ বাবে এখন কাৰ্যবিৱৰণী লিখা হ'ব।

**৪.০০ আৰ্থিক প্ৰসঙ্গ ঃ**

৪.০১ আৰ্থিক খৰছৰ প্ৰয়োজন থকা কাৰ্যসূচীৰ বাবে চৰকাৰী বা বেচৰকাৰী সংস্থাৰপৰা পৃষ্ঠপোষকতা বিচৰাৰ সুবিধা থাকিব।

৪.০২ দুয়োপক্ষৰ পুঁজি ব্যৱহাৰেৰেও কাৰ্যসূচী সম্পন্ন কৰা হ'ব।

৪.০৩ যিকোনো এটা পক্ষৰ পুঁজিৰ ব্যৱহাৰেৰেও কাৰ্যসূচী সম্পন্ন কৰা হ'ব।

৫.০০ চুক্তিভঙ্গ ঃ

৫.০১ কোনো এটা পক্ষই আনটো পক্ষৰ কাম-কাজত অসন্তুষ্ট হ'লে অভিযোগ উত্থাপন কৰিব পাৰিব। অভিযোগ গ্ৰহণৰ কৰ্তৃত্ব কেৱল স্বাক্ষৰকাৰী পদবীধাৰী সকলৰহে থাকিব। অভিযোগ নিষ্পত্তি নহ'লে ম্যাদ সম্পূৰ্ণ নোহোৱাকৈ চুক্তি ভঙ্গ কৰিব পাৰিব।

৫.০২ আন যিকোনো জৰুৰী কাৰণত চুক্তি ভঙ্গ হ'ব পাৰে। তাৰ বাবে যুটীয়া বৈঠক অনুষ্ঠিত হ'ব লাগিব।

৬.০০ আইনগত দিশ ঃ

৬.০১ দুয়োপক্ষই যিকোনো আইনগত কাম অসমৰ যিকোনো ন্যায়ালয়ত সম্পন্ন কৰিব।

৭.০০ যোগাযোগৰ ঠিকনা ঃ

যিকোনো যোগাযোগ তলৰ ঠিকনা দুটাত সম্পন্ন হ'ব —

প্ৰতি ঃ সঞ্চালক, নেচাৰ্চ বেকন
দত্তবাড়ি, ৱাৰ্ড নম্বৰ - ১, ধুবুৰী, অসম - ৭৮৩৩০১

প্ৰতি ঃ অধ্যক্ষ, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)
ডাকঘৰ- খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১

৮.০০ ব্যক্তি, যাৰ লগত যোগাযোগ কৰিব ঃ

অসম সাহিত্য সভা ঃ সৌম্যদ্বীপ দত্ত, সঞ্চালক, দত্তবাড়ি, ৱাৰ্ড নম্বৰ - ১, ধুবুৰী, অসম - ৭৮৩৩০১
অসম - ৭৮৩৩০১, ফোন ঃ +৯১-৯৭০৬৩-০৯৩৩১
ইমেইল ঃ nbneindia@gmail.com

.......................................................

নৰ্থ লখিমপুৰ কলেজ ঃ ড° অৰবিন্দ ৰাজখোৱা, মুৰব্বী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত),
ডাকঘৰ- খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১, ফোন ঃ +৯১-৯৪৩৫১-৮৯১৭৪,
ইমেইল ঃ arabindarajkhowa2011@gmail.com

স্বাক্ষৰ—

অসম সাহিত্য সভাৰ হৈ—
(ক) সৌম্যদ্বীপ দত্ত, সঞ্চালক
Soumyadeep Dutta
স্বাক্ষৰ
ঠাই আৰু তাৰিখ ঃ লখিমপুৰ; ০৬-০৬-২০২২
NATURE'S BECKON
Director

নৰ্থ লখিমপুৰ কলেজৰ হৈ—
(ক) ড° বিমান চন্দ্ৰ চেতিয়া, অধ্যক্ষ
স্বাক্ষৰ
ঠাই আৰু তাৰিখ ঃ লখিমপুৰ; ০৬-০৬-২০২২
Principal
North Lakhimpur College
(Autonomous)
Lakhimpur Assam

(খ) ড° অৰবিন্দ ৰাজখোৱা, মুৰব্বী, অসমীয়া বিভাগ
6/6/22
স্বাক্ষৰ
ঠাই আৰু তাৰিখ ঃ লখিমপুৰ; ০৬-০৬-২০২২
HoD. Dept. of Assamese
North Lakhimpur College
(Autonomous)